জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৫৬/২০২১**

# গোসাইগাঁও সমষ্টিৰ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**মাজেন্দ্ৰ নাৰ্জাৰীৰ মৃত্যুত শোকপ্ৰকাশ ৰাজ্যিক কেবিনেটৰো, সম্পূৰ্ণ চৰকাৰী মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বিধায়কগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া**

**দিছপুৰ, ২৬ মে' ঃ** বিশিষ্ট ৰাজনীতিবিদ, গোসাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চাৰিটাকৈ কাৰ্যকালৰ বাবে গোসাইগাঁও সমষ্টিৰ ৰাইজক প্ৰতিনিধিত্ব কৰি প্ৰয়াত মাজেন্দ্ৰ নাৰ্জাৰীয়ে সমষ্টিটোৰ আৰ্থ-সামাজিক বিকাশৰ লগতে সামগ্ৰিকভাৱে কোকৰাঝাৰ জিলাৰ সমাজ জীৱনলৈ যি অৱদান আগবঢ়াই গ'ল, সেয়া সকলোৱে সদায়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বিধানসভাৰ মজিয়াতো এগৰাকী দক্ষ আৰু মৰমিয়াল বিধায়ক হিচাপে প্ৰয়াত নাৰ্জাৰীয়ে শাসক-বিৰোধী সকলোৰে অন্তৰ জয় কৰিছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কোকৰাঝাৰৰ মথাৰুবিল হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপেও প্ৰয়াত নাৰ্জাৰীয়ে জিলাখনৰ শৈক্ষিক জীৱনলৈ প্ৰচুৰ অৰিহণা যোগাই থৈ গৈছে। তদুপৰি জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সেইসমূহৰ উত্তৰণৰ ক্ষেত্ৰতো তেখেতে যথেষ্ট অৱদান যোগাইছিল। এইগৰাকী বিশিষ্ট ৰাজনীতিক, শিক্ষাবিদ তথা সমাজকৰ্মীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰয়াত মাজেন্দ্ৰ নাৰ্জাৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত আজি অনুষ্ঠিত ৰাজ্যিক কেবিনেট বৈঠকৰ আৰম্ভণিতে গোসাইগাঁও সমষ্টিৰ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীৰ বিয়োগত শোক প্ৰকাশ কৰি ২ মিনিট সময় মৌনতা অৱলম্বন কৰা হয়। মন্ত্ৰীদ্বয় পৰিমল শুক্লবৈদ্য আৰু উৰ্খাও গৌৰা ব্ৰহ্মক আজি প্ৰয়াত বিধায়কগৰাকীৰ গৃহলৈ গৈ অসম চৰকাৰৰ হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিবলৈ কেবিনেটে দায়িত্ব অৰ্পণ কৰে। সম্পূৰ্ণ চৰকাৰী মৰ্যাদাৰে প্ৰয়াত বিধায়কগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিবলৈও আজি কেবিনেটে সিদ্ধান্ত লয়।

**প্ৰঃকুঃবঃ**
**২৬/০৫/২০২১**